**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-02-2025
**Time :** 1340 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত পুছা কৃষি বিজ্ঞান মেলা-২০২৫ উদ্বোধন কৰে।

২। ষষ্ঠ ভাৰত-জাপান যুটীয়া সামৰিক অনুশীলন ধৰ্ম গাৰ্জিয়ানৰ বাবে ভাৰতীয় সেনাৰ ১২০ জনীয়া এটা বাহিনী জাপানলৈ ৰাওণা হৈছে।

৩। দিল্লী আৰক্ষী প্ৰতিষ্ঠা দিৱস উদযাপনৰ লগত সংগতি ৰাখি ড্ৰাগছ সেৱনৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ লগতে ড্ৰাগছ মুক্ত দিল্লী প্ৰচাৰৰ লক্ষ্যৰে এক ৰাকাথন অনুষ্ঠিত হয়।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা মাহত হ'বলগীয়া মৰিছাচৰ ৫৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

আৰু

৫। ইণ্ডিয়ান চুপাৰ লীগত আজি পাঞ্জাব এফ চি ইষ্ট বেংগলৰ আৰু গোৱা ফুটবল ক্লাব কেৰালা ব্লাষ্টাৰছ এফ চিৰ মুখামুখি হ'ব।

oooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত পুছা কৃষি বিজ্ঞান মেলা-২০২৫ উদ্বোধন কৰে। তিনিদিনীয়াকৈ আয়োজন কৰা এই মেলাৰ প্ৰতিপাদ্য বিষয় হৈছে-**উন্নত কৃষি-বিকশিত ভাৰত**। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰ আৰু ভাগীৰথ চৌধুৰীয়ে এই মেলাৰ সামৰণি সত্ৰত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰাৰ কথা।

কৃষি বিজ্ঞান মেলাৰ মূল আকৰ্ষণ হৈছে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে বিকশাই তোলা নতুন প্ৰযুক্তি আৰু নতুন প্ৰজাতিৰ প্ৰত্যক্ষ প্ৰদৰ্শন। তদুপৰি এই কৃষি মেলাত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ বিভিন্ন সামগ্ৰী আৰু সেৱা তথা নতুন প্ৰযুক্তি, কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষক উৎপাদক সংস্থা, উদ্যোগী আৰু ষ্টাৰ্টআপৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। ইয়াৰোপৰি, কাৰিকৰী সত্ৰ তথা কৃষক আৰু বিজ্ঞানীৰ মাজত বাৰ্তালাপত জলবায়ু অনুকুল কৃষি, শস্য বৈচিত্ৰ, ডিজিটেল কৃষি, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে উদ্যমিতা উন্নয়নৰ বিষয়সমূহত আলোকপাত কৰা হ'ব।

oooooo

ষষ্ঠ ভাৰত-জাপান যুটীয়া সামৰিক অনুশীলন ধৰ্ম গাৰ্জিয়ানৰ বাবে ভাৰতীয় সেনাৰ ১২০ জনীয়া এটা বাহিনী জাপানলৈ ৰাওণা হৈছে। এই অনুশীলন জাপানৰ পূব ফুজিৰ মেনিউভাৰৰ প্ৰশিক্ষণ ক্ষেত্ৰত অহা ২৪ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ অনুষ্ঠিত হ'ব। এই অনুশীলন মুখ্য উদ্দেশ্যে হৈছে ৰাষ্ট্ৰসংঘৰ অধিদেশ অনুসৰি সংযুক্ত নগৰ যুদ্ধ কৌশল আৰু সন্ত্ৰাসবাদীৰোধী অভিযান চলাবলৈ দুই দেশৰ মাজত সামৰিক সহযোগিতা

বৃদ্ধি কৰা। এই অনুশীলনত শাৰীৰিক সক্ষমতা, যুটীয়া পৰিকল্পনা তথা কৌশল সমূহত গুৰুত্ব প্ৰদান কৰা হ'ব। এই অনুশীলনে ভাৰত আৰু জাপানৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি কৰিব।

ধৰ্ম গাৰ্জিয়ান হৈছে ভাৰত আৰু জাপানে সলনা-সলনিকৈ আয়োজন কৰা এটা বাৰ্ষিক সামৰিক অনুশীলন। বিগত বৰ্ষত ৰাজস্থানত এই অনুশীলন অনুষ্ঠিত হৈছিল।

০০০০০০

.দিল্লী আৰক্ষী প্ৰতিষ্ঠা দিৱস উদযাপনৰ লগত সংগতি ৰাখি আজি পুৱা ড্ৰাগছ্ সেৱনৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ লগতে ড্ৰাগছ্ মুক্ত দিল্লী প্ৰচাৰৰ লক্ষ্যৰে এক ৰাকাথন অনুষ্ঠিত হয়। দিল্লীৰ আৰক্ষী আয়ুক্ত সঞ্জয় অৰোৰা,অলিম্পিকৰ ৰূপৰ পদক বিজয়ী ৰবী কুমাৰ দাহিয়া আৰু অৰ্জুন বঁটাপ্ৰাপক সৰিতা ম'ৰে ৰাকাথনৰ পতাকা উত্তোলন কৰে। ইণ্ডিয়া গেটৰ কাৰ্টাভিয়া পথত এই ৰাকাথন অনুষ্ঠিত হয়। সাংবাদিক সৈতে হোৱা বাৰ্তালাপত ৰবী কুমাৰ দাহিয়াই সকলোকে ড্ৰাগছৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সৰিতা ম'ৰে দিল্লী আৰক্ষীৰ এই প্ৰচেষ্টাক শলাগ লৈ যুৱক-যুৱতীসকলক ড্ৰাগছ্ আসক্তিৰ পৰা আঁতৰি থাকি সুস্থ থাকিবলৈ অনুৰোধ জনায়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ অসমৰ চাহৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনৰ উদ্দেশ্যে হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ বাবে গুৱাহাটীলৈ আহিব। সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীয়ে ২৫ ফেব্ৰুৱাৰীত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। প্ৰধানমন্ত্ৰী আদৰাৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক দলসমূহে অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে প্ৰধানমন্ত্ৰীগৰাকীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনাব। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বিমানবন্দৰত প্ৰস্তুতিৰ পৰ্যবেক্ষণ কৰাৰ লগতে যাৱতীয় নিৰ্দেশনাও দিয়ে।

০০০০০০

ভাৰত আৰু পাকিস্তান সেনাৰ প্ৰতিনিধিয়ে জম্মু-কাশ্মীৰত ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত যুদ্ধবিৰতি চুক্তি ৰক্ষা কৰিবলৈ আৰু ভৱিষ্যতে ভুল বুজাবুজিৰ ৰোধ কৰাৰ ব্যৱস্থাৰ সন্ধান কৰিবলৈ সন্মত হৈছে। শেহতীয়াকৈ, নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত সংঘটিত হোৱা সংঘৰ্ষ আৰু আই ই ডিৰ কাণ্ডৰ পাছত উত্তেজনা লাঘৱ কৰিবলৈ দুয়োখন দেশৰ ব্ৰিগেড কামাণ্ডাৰসকল পুঞ্চজিলাত  অনুষ্ঠিত পতাকা বৈঠকত মিলিত হয়। ইয়াৰোপৰিও ২০২১চনৰ ২৫ ফেব্ৰুৱাৰীত নৱীকৰণ কৰা যুদ্ধবিৰতি চুক্তি ৰক্ষা কৰিবলৈ সন্মত হোৱাৰ উপৰিও ব্ৰিগেড কামাণ্ডাৰসকলে উত্তেজনা হ্ৰাস কৰিবলৈ প্ৰতিষ্ঠিত যোগাযোগ মাধ্যমৰ সহায় লোৱাৰ প্ৰতিও সন্মতি প্ৰকাশ কৰে। দুয়োপক্ষই সীমান্তত শান্তি আৰু সৃষ্টিশীলতা বজাই ৰখাৰ ক্ষেত্ৰত যুদ্ধবিৰতি চুক্তিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

পুঞ্চৰ চক্কান-দ্যা-বাগ ক্ৰচিং পইণ্টত চাৰিবছৰৰ মূৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই বৈঠকখনত শেহতীয়াকৈ সীমা অতিক্ৰম কৰি গুলীচালনা আৰু আই ই ডি আক্ৰমণৰ ফলত নিয়ন্ত্ৰণ ৰেখাৰ কাষত শান্তি বিঘ্নিত কৰা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা মাহত হ'বলগীয়া মৰিছাচৰ ৫৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মৰিছাচৰ প্ৰধানমন্ত্ৰী নবীন ৰামগুলামে দেশখনৰ সংসদত দিয়া ভাষণত এই ঘোষণা কৰে। শ্ৰীৰামগুলামে কয়, যে শ্ৰীমোডীৰ দৰে বিশিষ্ট নেতা এগৰাকী মৰিছাচৰ অতিথি হিচাপে লাভ কৰাটো দেশবাসীৰ বাবে সৌভাগ্যৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ এই উপস্থিতিয়ে ভাৰত আৰু মৰিছাচৰ মাজত সম্পৰ্ক সুদৃঢ় কৰি তুলিব বুলি উল্লেখ কৰে। শ্ৰীৰামগুলামে কয়, যে প্ৰধানমন্ত্ৰী মোডীয়ে দেশখনৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি সন্মতি প্ৰকাশ কৰিছে।

১৯৬৮ চনত মৰিছাচে বিট্ৰিছৰ পৰা স্বাধীনতা লাভ কৰিছিল। এই দিনটো স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে প্ৰতিবছৰে ১২ মাৰ্চত মৰিছাচৰ ৰাষ্ট্ৰীয় দিৱস উদযাপন কৰা হয়। বিগত বৰ্ষত এই দিনটোত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু মুখ্য অতিথি হিচাপে উপস্থিত আছিল।

oooooo

ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ভন ডৰ লেয়নে অহা ২৭ ফেব্ৰুৱাৰীত ভাৰত ভ্ৰমণলৈ আহিব। এয়া হ'ব ইউৰোপীয় আয়োগৰ অধ্যক্ষগৰাকীৰ তৃতীয়বাৰৰ বাবে ভাৰত ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা অনুসৰি অধ্যক্ষগৰাকীৰ এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শ্ৰীমতী লেয়নৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

২০০৪ চনৰে পৰা ভাৰত আৰু ইউৰোপীয় সংঘ কৌশলগত অংশীদাৰ হোৱাৰ লগতে আন বহু ক্ষেত্ৰত দুয়োপক্ষৰ সম্পৰ্ক সম্প্ৰসাৰিত আৰু গভীৰ হৈছে। অধ্যক্ষ শ্ৰীমতী লেয়ন এই ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰিব।

oooooo

ব্ৰিটিছ ভাৰতীয় মূলৰ লেখক চলমান ৰুশ্বদিৰ আক্ৰমণকাৰী হাদি মাতাৰক নিউয়ৰ্কৰ এখন আদালতে ৰুশ্বদি হত্যা আৰু আক্ৰমণৰ অভিযোগত দোষী সাব্যস্ত কৰে। ২০২২ চনত নিউয়ৰ্কত অনুষ্ঠিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সময়ত লেখক ৰুশ্বদিক অভিযুক্ত হাদি মাতাৰে চুৰিৰে আক্ৰমণ কৰিছিল। এই আক্ৰমণত ৰুশ্বদিয়ে গুৰুতৰভাবে আঘাত পোৱাৰ লগতে ৰুশ্বদিৰ সৈতে মঞ্চত উপবিষ্ট সাক্ষাতগ্ৰহণকাৰী হেনৰী ৰিছ্ আহত হৈছিল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউবৰ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পূব ভাৰতৰ বিভিন্ন অংশত কাইলৈ পৰ্যন্ত ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে পশ্চিম বংগ, ঝাৰখণ্ড আৰু ওড়িশাৰ ঠাই বিশেষে আজি শিল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে হিমাচল প্ৰদেশ আৰু ছিকিমৰ কোনো কোনো অংশত পুৱা আৰু নিশাৰ ভাগত ঘন কুঁৱলী পৰাৰ আগলি বতৰা দিছে।

০০০০০০০

ইণ্ডিয়ান চুপাৰ লীগত আজি পাঞ্জাব এফ চি ইষ্ট বেংগলৰ আৰু গোৱা ফুটবল ক্লাব কেৰালা ব্লাষ্টাৰছ্ এফ চিৰ মুখামুখি হ'ব। খেল দুখন ক্ৰমে বিয়লি পাঁচ বজাত নতুন দিল্লীত আৰু সন্ধিয়া চাৰে ৭ বজাত গোৱাত অনুষ্ঠিত হ'ব। আই এছ্ এল ফুটবল প্ৰতিযোগিতাত কালি বেংগালুৰু এফ চিয়ে নৰ্থ ইষ্ট ইউনাইটেডক ২-০ গ'লত পৰাস্ত কৰি পইণ্ট তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে। বেংগালুৰুৱে ২১ খন খেলত মুঠ ৩৪ পইণ্ট লাভ কৰাৰ বিপৰীতে হাইলেণ্ডাৰছে মুঠ ৩২ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০০০

সমাপ্ত